**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং :** ১৮৫
**বিধায়কৰ নাম:** –শ্ৰী আফতাব উদ্দিন মোল্লা
**বিষয়:** অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্মাণ সম্পৰ্কে
**উত্তৰ দিয়াৰ তাৰিখ:** ইং ০৯/০৭/২০২৬

**প্ৰশ্নঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নৱগঠিত জলেশ্বৰ সমষ্টিত থকা L.P. School বা M.E. School বোৰত আজিলৈকে পৰ্যাপ্ত পৰিমাণৰ শ্ৰেণীকোঠাৰ নিৰ্মাণ হোৱা নাই, ছাত্ৰ-ছাত্ৰী অনুপাতে বা শ্ৰেণী অনুপাতে কোঠা নিৰ্মাণ নোহোৱাত একেখন কোঠাতেই দুই তিনিটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠদান ল'বলগীয়া হৈছে। এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ইয়াৰ স্থায়ী সমাধানৰ ব্যৱস্থা কেতিয়া কৰি দিয়া হ'ব? তথ্য সহকাৰে জনাব।

**উত্তৰ:**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) UDISE+ 2025-26 তথ্য অনুসৰি জলেশ্বৰ সমষ্টিত থকা L.P. School বা M.E. School বোৰত ছাত্ৰ-ছাত্ৰী অনুপাতে পৰ্যাপ্ত শ্ৰেণীকোঠা থকা বিদ্যালয়ৰ সংখ্যা আৰু প্ৰয়োজন হোৱা শ্ৰেণীকোঠাৰ সংখ্যা তলত দিয়া ধৰণৰ :

| স্তৰ | বিদ্যালয়ৰ সংখ্যা | ছাত্ৰ-ছাত্ৰী অনুপাতে পৰ্যাপ্ত শ্ৰেণীকোঠা থকা বিদ্যালয়ৰ সংখ্যা | ছাত্ৰ-ছাত্ৰী অনুপাতে প্ৰয়োজন হোৱা শ্ৰেণীকোঠাৰ সংখ্যা |
|---|---|---|---|
| নিম্ন প্ৰাথমিক | ২৬৪ | ৭৪ | ১০৩ |
| উচ্চ প্ৰাথমিক | ১১৬ | ২৭ | ৫৯ |
| **মুঠ** | **৩৮০** | **১০১** | **১৬২** |

খ) হয় অৱগত, জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত বিদ্যালয়সমূহত বাৰ্ষিক কৰ্ম আঁচনি আৰু বাজেটৰ অধীনত শ্ৰেণীকোঠা নিৰ্মাণৰ ক্ষেত্ৰত সময়ে সময়ে অনুমোদন লাভ কৰি অহা হৈছে আৰু পৰৱৰ্তী প্ৰয়োজনীয় শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে UDISE+ সমীক্ষাৰ জৰিয়তে পোৱা তথ্যৰ ভিত্তিত আৰু অগ্ৰাধিকাৰ অনুসৰি শ্ৰেণীকোঠা নিৰ্মাণৰ প্ৰস্তাৱ সমগ্ৰ শিক্ষা অসমৰ বাৰ্ষিক কৰ্ম আঁচনি আৰু বাজেট (AWP&B) ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ত পৰ্যায়ক্ৰমে দাখিল কৰা হ'ব ।

প্ৰাথমিক বিদ্যালয় স্থাপিতৰ বাবে নিম্নতম দুজন (৬০ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে দুজন শিক্ষক) শিক্ষক হ'ব লাগে। ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা কম থকা প্ৰাথমিক বিদ্যালয় সমূহত বৰ্তমান Multi Grade Teaching ''বহুস্তৰীয় শিক্ষাদানৰ" ব্যৱস্থা কৰা হৈছে যত দুজন শিক্ষকে ৫ টা শ্ৰেণী (ক শ্ৰেণীৰ বাহিৰে) ছাত্ৰ ছাত্ৰীক এটা কক্ষত একেলগে পাঠদান কৰে ।ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা কম হোৱাৰ বাবে, এই পদ্ধতিত অত্যাধিক শ্ৰেণীকোঠাৰ প্ৰয়োজন নহয় আৰু পাঠদানত বিৰূপ প্ৰভাৱ পৰা দেখা নাযায় ।

(উক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)